Bijni College Library
P.O. Bijni, Dist. Chirang
(B.T.A.D) Assam

# 2016

## ELECTIVE ASSAMESE

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×৮=৮

(ক) বনঘোষা বুলিলে কি বুজা ?

(খ) চৰ্যাগীতবোৰ কি ভাষাত ৰচিত ?

(গ) হেম সৰস্বতী কোন যুগৰ কবি ?

(ঘ) 'শ্ৰীকৃষ্ণকীৰ্তন' কাৰ ৰচনা ?

(ঙ) 'ঝুমুৰা' শব্দৰ অৰ্থ কি ?

(চ) ড০ সূৰ্য্য কুমাৰ ভূঞাই সম্পাদনা কৰা এখন বুৰঞ্জীৰ নাম লিখা।

(ছ) 'জিকিৰ' আৰু 'জাৰী' শব্দই কি বুজায় ?

(জ) উমাচল শিলালিপিৰ সময় কোন শতিকা ?

২। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৩×৪=১২

(ক) বিয়ানাম

(খ) হুচৰি

(গ) সাধুকথা

(ঘ) চৰিতপুথি

(ঙ) প্ৰহ্লাদ-চৰিত

(চ) ৰামাই পণ্ডিত

(ছ) গড়গঞা লিপি

৩। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) লোকসাহিত্যৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) অংকীয়া নাটৰ প্ৰধান দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(গ) চৰ্যাগীতৰ বিষয়বস্তু সম্পৰ্কে কি জানা, লিখা।

(ঘ) শংকৰদেৱে ৰচনা কৰা এখন সংস্কৃত গ্ৰন্থৰ নাম লিখি তাৰ বিষয়বস্তুৰ বিষয়ে উল্লেখ কৰা।

(ঙ) বুৰঞ্জীসমূহক কেইটা শ্ৰেণীত ভাগ কৰিব পাৰি আৰু সেইসমূহ কি কি?

৪। (ক) মৌখিক সাহিত্য বুলিলে কোনবোৰ সাহিত্যক বুজা যায়? অসমীয়া মৌখিক সাহিত্যৰ শ্ৰেণীবিভাজন কেনেদৰে কৰিব পাৰি তাৰ আভাস দি 'আইনাম' আৰু 'ধাইনাম'ৰ বিষয়ে আলোচনা কৰা। ১০

*অথবা*

(খ) মাধৱ কন্দলিৰ সময়সীমা নিৰূপণ কৰি তেওঁৰ কাব্যকৃতিৰ আলোচনা কৰা।

৫। (ক) অংকীয়া নাট কাক বোলে? শংকৰদেৱ আৰু মাধৱদেৱৰ অংকীয়া নাটৰ মিল আৰু অমিলবোৰ আলোচনা কৰা। ১০

*অথবা*

(খ) শংকৰদেৱৰ কাব্য-প্ৰতিভাৰ আলোচনা কৰা।

৬। (ক) 'অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশ' শীৰ্ষক এটি আলোচনামূলক প্ৰবন্ধ লিখা। ১০

*অথবা*

(খ) চমু টোকা লিখা (যি কোনো দুটা) : ৫×২=১০

বুৰঞ্জীসাহিত্য; বধকাব্য; ব্ৰাহ্মীলিপি; কানাই বৰশী বোৱা শিলালিপি।

★★★